Krishna Kanta Handiqui State Open University

MA 1st Sem. Examination, 2016

Subject : Assamese

Paper - 01

অসমীয়া সাহিত্যৰ বুৰঞ্জী - আদিৰ পৰা মধ্য যুগলৈ

Time : 3 Hrs. *Full Marks : 80*

১। তলৰ প্ৰশ্নসমূহৰ যিকোনো পাঁচটাৰ উত্তৰ লিখক। ২×৫ = ১০
(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০ টা শব্দৰ ভিতৰত লিখিব)

(ক) চৰ্যাপদসমূহ কোন সময়ৰ ৰচনা? ইয়াৰ ৰচকসকলৰ ভিতৰত প্ৰাচীন কামৰূপৰ বুলি পৰিচিত দুগৰাকীৰ নাম লিখক।

(খ) বাস্তৱানুগত মালিতা বুলিলে কি বুজে?

(গ) 'শ্ৰীকৃষ্ণ কীৰ্ত্তন' কাৰ ৰচনা? ইয়াত প্ৰাপ্ত কোনকেইটা গীত খণ্ডিত অৱস্থাত পোৱা গৈছে?

(ঘ) সৰ্বভাৰতীয় প্ৰেক্ষাপটত ভক্তি আন্দোলনৰ বিকাশৰ আঁৰত অনুঘটক হিচাপে ক্ৰিয়া কৰা দুটা সামাজিক কাৰণ উল্লেখ কৰক।

(ঙ) পাঁচালী সাহিত্য বুলিলে কি বুজে? কেইগৰাকীমান পাঁচালী কবিৰ নাম উল্লেখ কৰক।

(চ) 'সদৰামীনৰ বুৰঞ্জী' বুলিলে কি বুজে?

২। তলৰ প্ৰশ্নসমূহৰ যিকোনো তিনিটাৰ উত্তৰ লিখক। ৪×৩ = ১২
(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১৫০ টা শব্দৰ ভিতৰত লিখিব)

(ক) উত্তৰ কালৰ অসমীয়া সাহিত্য বুলিলে কোনকেইবিধ ৰচনাক বুজায়?

(খ) অনন্ত কন্দলিৰ কাব্যকৃতিসমূহৰ বিষয়ে চমুকৈ লিখক।

(গ) পাঁচালী শব্দটোৰ বিষয়ে পণ্ডিতে আগবঢ়োৱা মতসমূহ চমুকৈ লিখক।

(ঘ) চৰিত পুথিকাৰ দৈত্যাৰি ঠাকুৰ আৰু ভূষণ দ্বিজৰ চমু পৰিচয় আগবঢ়াওক।

৩। তলৰ প্ৰশ্নসমূহৰ যিকোনো তিনিটাৰ উত্তৰ লিখক। ৬×৩ = ১৮
(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৩০০ টা শব্দৰ ভিতৰত লিখিব)

(ক) লোকজীৱনক প্ৰবচন, লোকোক্তি, যোজনা আৰু পটন্তৰে কিদৰে প্ৰভাৱিত কৰে?

(খ) শ্ৰীধৰ কন্দলিৰ কৃতিসমূহৰ বিষয়ে চমুকৈ লিখক।

(গ) পীতাম্বৰ দ্বিজৰ ৰচনাৰাজিৰ বিষয়ে চমুকৈ লিখক।

(ঘ) শংকৰোত্তৰ যুগৰ পু�ৰাণ সাহিত্যকৃতিৰ বিষয়ে চমুকৈ লিখক।

৪। তলৰ প্ৰশ্নসমূহৰ যিকোনো চাৰিটাৰ উত্তৰ লিখক। ১০×৪ = ৪০
(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০০ টা শব্দৰ ভিতৰত লিখিব)

(ক) উদ্ভৱ কালৰ অসমীয়া সাহিত্য শ্ৰেণীত শূন্যপুৰাণৰ স্থান কি? শূন্যপুৰাণৰ বিষয়ে এটি আলোচনা যুগুত কৰক।

(খ) শংকৰী যুগৰ সাহিত্যত ৰাম সৰস্বতীৰ স্থান কি?

(গ) সুকবি নাৰায়ণদেৱৰ ৰচনাকৃতিৰ বিষয়ে এটি আলোচনা আগবঢ়াওক।

(ঘ) শংকৰোত্তৰ যুগৰ মহাভাৰতীয় সাহিত্যকৃতিসমূহৰ আলোচনা আগবঢ়াওক।

(ঙ) শংকৰী আৰু শংকৰোত্তৰ যুগৰ সাহিত্য শ্ৰেণীৰ মাজত দেখা পাৰ্থক্যসমূহ কি কি?

——×——